# অসমীয়া উপন্যাসত দেহোপজীৱিনী নাৰীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতিফলন

## (হোমেন বৰগোহাঞিৰ ‘সুবালা’ আৰু জুৰী বৰা বৰগোহাঞিৰ ‘ভোক’ উপন্যাসৰ বিশেষ উল্লেখেৰে)

*[১]*গীতাশ্ৰী দত্ত*, [২]*জ্ঞানশ্ৰী দত্ত*, [১]*ড° পাপুমণি হাজৰিকা*

[১]অসমীয়া বিভাগ, জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ)

[২]অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

**Correspondence* : E-mail : duttagitashree20march@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

প্ৰত্যেক ব্যক্তিয়ে এক সুস্থ জীৱন-যাপন কৰাৰ ক্ষেত্ৰত সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ অতি প্ৰয়োজন। সমাজ এখন গঢ় দিয়াত পুৰুষ আৰু মহিলা উভয়ে সমানে ভূমিকা গ্ৰহণ কৰি থাকে আৰু সেয়ে উভয়ৰ সুস্থ-সবল শাৰীৰিক-মানসিক স্বাস্থ্যই সমাজখনক সুন্দৰকৈ আগবঢ়াই নিয়াত সহায় কৰি থাকে বুলিব পাৰি। এই ক্ষেত্ৰত মহিলাৰ স্বাস্থ্যৰ প্ৰসংগটোক মানুহে অধিক গুৰুত্ব সহকাৰে লোৱা উচিত। এই কথা নস্যাৎ কৰিব নোৱাৰি যে মহিলা এগৰাকীয়ে সন্তান এটাক গৰ্ভত ধাৰণ কৰাৰপৰা প্ৰায় ন মাহ ন দিন পৰ্যন্ত গৰ্ভতে ৰাখি জন্ম দিয়ালৈকে যথেষ্ট কষ্ট সহ্য কৰিবলগীয়া হয়। তদুপৰি নাৰী এগৰাকী পুষ্পিতা হোৱাৰপৰা ঋতুস্ৰাৱৰ সময়বোৰত অনেক যন্ত্ৰণা ভুগিব লগা হয়, যিবোৰে পৰৱৰ্তী সময়ত সন্তান ধাৰণৰ ক্ষেত্ৰতো প্ৰভাৱ পেলায়। এই ক্ষেত্ৰত মহিলাসকলে বিভিন্ন সময়ত সচেতনতা অৱলম্বন কৰিব লগাও হয় আৰু বহু সময়ত তেওঁলোক অৱহেলাৰ সন্মুখীন হোৱাও পৰিলক্ষিত হয়। গতিকে সকলো মানুহ মহিলাৰ স্বাস্থ্যজনিত দিশটোৰ প্ৰতি সতৰ্ক হোৱা উচিত। সময়ৰ গতিত মহিলাৰ স্বাস্থ্যগত দিশটোৰ প্ৰতি বিজ্ঞানৰ জগতখনত বিভিন্ন চিন্তা-চৰ্চা হোৱা পৰিলক্ষিত হৈছে আৰু সাহিত্যতো এই দিশৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰসংগৰ উত্থাপন হ'বলৈ ধৰিছে। প্ৰাচীন কালৰেপৰা পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ লগত হোৱা শাৰীৰিক-মানসিক অত্যাচাৰ, অন্যায়-অৱহেলা আদিয়ে বিভিন্ন ক্ষেত্ৰত নাৰীৰ স্বাস্থ্যৰ ক্ষেত্ৰত হানি কৰি আহিছে আৰু সাহিত্যত ইয়াৰ প্ৰতিফলনে মহিলাৰ ক্ষেত্ৰত গুৰুত্ব দিব লগা বিভিন্ন সৰু-বৰ বিষয়ক দৃষ্টিগোচৰ





কৰিবলৈ সক্ষম হৈছে। অসমীয়া সাহিত্যতো এনে প্ৰতিফলন দেখা যায়। এই আলোচনাৰ জৰিয়তে সমাজৰ সাধাৰণ দৃষ্টিৰপৰা সততে অৱহেলিত দেহোপজীৱিনী নাৰীসকলৰ স্বাস্থ্যৰ প্ৰসংগ অসমীয়া সাহিত্যত কিদৰে চিত্ৰিত হৈছে, সেই দিশটোৰ অধ্যয়ন কৰাৰ প্ৰয়াস কৰা হৈছে। নিৰ্বাচিত দুখন উপন্যাসৰ আধাৰত বিষয়ৰ বিশ্লেষণ কৰাৰ যত্ন কৰা হৈছে।

বীজ শব্দ ঃ অসমীয়া উপন্যাস, দেহোপজীৱিনী নাৰী, শাৰীৰিক স্বাস্থ্য, মানসিক স্বাস্থ্য, নিৰ্যাতন, সচেতনতা

### ০.০ অৱতৰণিকা

সাধাৰণভাৱে ‘দেহোপজীৱিনী’ শব্দৰ জৰিয়তে নিজৰ দেহক যৌন সম্ভোগৰ বাবে ব্যৱহাৰ কৰি জীৱিকা অৰ্জন কৰা মহিলাসকলক বুজোৱা দেখা যায়। এনে দেহোপজীৱিনী নাৰীসকলে পইচাৰ বিনিময়ত বিভিন্ন পুৰুষৰ সৈতে যৌন সম্পৰ্ক কৰি দৈনন্দিন জীৱন-যাপনৰ পথ উলিয়ায় আৰু সেই কৰ্মই তেওঁলোকৰ পৰিচয়বহনকাৰী এক বৃত্তি হিচাপে পৰিগণিত হোৱা দেখা যায়। এই বৃত্তিক ‘বেশ্যা বৃত্তি’ বুলিও কোৱা হয় আৰু ইয়াক পৃথিৱীৰ অন্যতম প্ৰাচীন বৃত্তি বুলিও জনা যায়। এনে বৃত্তি গ্ৰহণ কৰা নাৰীসকলক বুজাবৰ বাবে অসমীয়া সমাজত দেহোপজীৱিনী, বেশ্যা, বাৰাংগনা, গণিকা, যৌনকৰ্মী আদি বিভিন্ন শব্দৰ প্ৰয়োগ দেখা যায়। ইংৰাজীত ইয়াক বুজাবলৈ *Prostitute, Sex Workers* আদি শব্দৰ প্ৰয়োগ আছে। তদুপৰি প্ৰাচীন ভাৰতীয় সাহিত্যৰ বেদ, মহাকাব্য আৰু পুৰাণবোৰত এনে মহিলাসকলৰ প্ৰসংগত হস্ৰা, অগ্ৰু, পুংশ্চলী, পালি, গামনি, নগৰশোভিনী, জনপদকল্যাণী, কুলটা, স্বৈৰিণী, বাৰঙ্গনা, স্বতন্ত্ৰা, ভণ্ডহাসিনী, কামৰেখা, বাৰস্ত্ৰী, ৰূপাজীবা আদি শব্দৰ প্ৰয়োগ দেখা গৈছে। আকৌ প্ৰাচীন অসমীয়া সাহিত্যত ‘নটিনী’ আৰু বুৰঞ্জী পুথিত ‘খাৰছাই’ আদিৰ শব্দৰ জৰিয়তে বেশ্যা বৃত্তিত জড়িত নাৰীসকলক বুজোৱা পৰিলক্ষিত হৈছে।[১] মন কৰিবলগীয়া যে, প্ৰাচীন কালৰেপৰা ভাৰতত বেশ্যা বৃত্তিৰ লগত জড়িত নাৰীৰ অস্তিত্ব পোৱা যায়। ঋগ্বেদতেই ইয়াৰ প্ৰথম উল্লেখ পোৱা গৈছিল।[২] ঋগ্বেদৰ ১০৪ / ১১২ আদি সুক্তত বেশ্যা নাৰীৰ উল্লেখ আছে।[৩] মধ্য যুগত অৰ্থাৎ মোগল সাম্ৰাজ্যৰ সময়ছোৱাৰ ৰজা-মন্ত্ৰী আদিয়ে এক শ্ৰেণী নাৰীৰপৰা নৃত্য-গীতৰ আমোদ লোৱাৰ লগতে যৌন সম্ভোগৰ বাবেও তেওঁলোকক ব্যৱহাৰ কৰিছিল। ব্ৰিটিছৰ দিনতো সেই প্ৰক্ৰিয়া চলিয়েই থাকিল আৰু মহিলাৰ এক নিৰ্দিষ্ট দলক কেৱল যৌন সমল হিচাপেই গণ্য কৰি ব্যৱহাৰ কৰা হ'ল। পৰৱৰ্তী সময়ত এনে মহিলাসকলৰ উত্তৰাধিকাৰীসকলকো যৌন কৰ্মৰ বলি কৰা হ'ল। মহিলাৰ ওপৰত কৰা এনে ব্যৱহাৰৰ ফলত একশ্ৰেণী মহিলাই দুখীয়া হোৱাৰ বাবে অথবা কিছু টকা উপাৰ্জনৰ বাবে সহজ উপায় হিচাপে বেশ্যা বৃত্তিকেই গ্ৰহণ কৰি থকা দেখা গ'ল আৰু বৰ্তমানেও সমাজত এই বৃত্তি অব্যাহত আছে। মন কৰিবলগীয়া যে, ভাৰতৰ পৰিপ্ৰেক্ষিতত বেশ্যা বৃত্তিক অবৈধ অথবা নীতিসন্মত এই কোনোটোৱেই অন্তৰ্ভুক্ত হিচাপে স্পষ্টৰূপে গণ্য কৰা হোৱা নাই। ১৯৫৬ চনত গৃহীত হোৱা ‘অনৈতিক সৰবৰাহ প্ৰতিৰোধ আইন’ [Immoral Traffic (Prevention) Act, (ITPA) or The Traffic (Suppression) Act, (SITA)] অনুসৰি বেশ্যাবৃত্তিক বিধিগতভাৱে গ্ৰহণ কৰিব পাৰি; কিন্তু মুকলিভাৱে গ্ৰাহক বিচৰা অথবা প্ৰলোভনৰ জৰিয়তে যৌন কৰ্মত লিপ্ত কৰোৱা আদি কৰ্মক ইয়াৰ জৰিয়তে অবৈধৰূপে গণ্য কৰা হয়।[৪] তদুপৰি বেশ্যালয়ৰ মালিকৰূপে কাম কৰা, দালালি কৰা, সংগঠিত যৌন কৰ্ম আদিক এই আইনে অবৈধ বুলি গণ্য কৰে। সেই দিশৰপৰা এই আইনৰ অধীনত বেশ্যাবৃত্তিক ‘যৌন

নির্যাতন' বুলি উল্লেখ কৰা হৈছে। স্ব- ইচ্ছাই গ্ৰহণ কৰিলে এই বৃত্তিক অপৰাধ বুলি গণ্য কৰা নহয়। উল্লেখনীয় যে, বৰ্তমান সমাজত গণিকাৰ সামাজিক মান হীনাত্মক হোৱা দেখা যায়; কিন্তু প্ৰাচীন কালত বাৰাংগনায়ো সমাজৰ সন্মানীয় ব্যক্তি হিচাপে স্থান লাভ কৰিছিল। প্ৰাচীন অসমৰ মন্দিৰবোৰত 'নটিনী' থকাৰ বৰ্ণনা বুৰঞ্জীৰ পাতত পোৱা গৈছে। মন্দিৰৰ এই নটিনীসকলক 'দেৱদাসী' নামেৰে জনা গৈছিল। নটিনীসকলে মন্দিৰৰ আগত নৃত্য কৰি পুৰুষৰ কামভাৱৰ উদ্ৰেক কৰি ধন অৰ্জাৰ উপায় উলিয়াইছিল। শিৱসিংহৰ পত্নী ৰাণী ফুলেশ্বৰী নটৰ জীয়ৰী আছিল। জয়দৌলত দেৱতাৰ আগত নাচ-গীত কৰি থাকোঁতে তেওঁ শিৱসিংহৰ চকুত পৰিছিল।[৫]

আধুনিক অসমীয়া সাহিত্যৰ বিশেষকৈ উপন্যাসত হোমেন বৰগোহাঞিৰ 'সুবালা'ৰ জৰিয়তে পোনপ্ৰথমবাৰৰ বাবে দেহোপজীৱিনী নাৰীৰ জীৱন চিত্ৰৰ স্পষ্ট প্ৰতিফলন দেখা যায়। পৰৱৰ্তী কালৰ অন্যান্য অসমীয়া উপন্যাসতো দেহোপজীৱিনীৰ চৰিত্ৰ চিত্ৰিত হোৱা পৰিলক্ষিত হয়। এই ক্ষেত্ৰত মামণি ৰয়ছম গোস্বামীৰ 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' উপন্যাসত দেহোপজীৱিনী নাৰীৰ চিত্ৰণ দেখা গৈছে। ঠিক সেইদৰে একবিংশ শতিকাৰ ঔপন্যাসিক জুৰী বৰা বৰগোহাঞিৰ 'ভোক' উপন্যাসখন অসংখ্যগৰাকী দেহোপজীৱিনী নাৰীৰ ঘাত-প্ৰতিঘাত, যন্ত্ৰণাৰ জীৱন্ত দলিল বুলিব পাৰি। অৱশ্যে মন কৰিবলগীয়া যে, অসমীয়া সাহিত্যত উপন্যাসৰ পূৰ্বে সাহিত্যৰ অন্যান্য বিধাতো সীমিত ৰূপত এনে দিশৰ প্ৰতিফলন ঘটিছে। ঊনবিংশ শতিকাত এম.ই. লেছলীৰ 'এলোকেশী বেশ্যাৰ বিষয়' (১৮৭৭ খ্ৰীষ্টাব্দ) উপন্যাসিকাত ঘটনাৰ পাক্‌চক্ৰত পৰি বেশ্যা বৃত্তি গ্ৰহণ কৰা এলোকেশী নামৰ এগৰাকী নাৰীৰ জীৱন গাথা প্ৰকাশ পাইছে।[৬] ঠিক সেইদৰে গল্প-সাহিত্যৰ ক্ষেত্ৰত 'আৱাহন'(১৯৩৭ চনৰ ৮ম বছৰ ৫ম সংখ্যা)ত প্ৰকাশিত কৃষ্ণ ভূঞাৰ 'যাদুঘৰ' গল্পত প্ৰথম বেশ্যা চৰিত্ৰক চিত্ৰিত কৰি তেওঁলোকৰ প্ৰতি এক নতুন দৃষ্টিভংগী গ্ৰহণ কৰা দেখা গৈছে।[৭] তদুপৰি চৈয়দ আব্দুল মালিকৰ 'এন্ধাৰ ৰাতিৰ আলহী', 'চিকাৰ' ইত্যাদি গল্প; হোমেন বৰগোহাঞিৰ 'ইছমাইল শেখৰ সন্ধানত', 'নৰকত বসন্ত' আদিৰ মাজেৰে বেশ্যাবৃত্তিৰ লগত জড়িত নাৰীৰ চৰিত্ৰ চিত্ৰিত হৈছে। অন্যহাতে কবিতাৰ ক্ষেত্ৰত অমূল্য বৰুৱাৰ 'জয়ন্তী' আলোচনীত প্ৰকাশিত 'বেশ্যা'(১৯৪৩ চন) কবিতাৰ জৰিয়তে প্ৰথমবাৰৰ বাবে দেহোপজীৱিনীসকলৰ প্ৰতি সমাজৰ পৰম্পৰাগত দৃষ্টিৰপৰা সুকীয়া দৃষ্টিভংগী গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

**০.১ অধ্যয়নৰ উদ্দেশ্য**

বিষয়টো অধ্যয়নৰ অন্তৰালত থকা উদ্দেশ্যসমূহ এনেধৰণৰ—

- অসমীয়া উপন্যাসত দেহোপজীৱিনীৰ জীৱন চিত্ৰৰ কেনেদৰে চিত্ৰিত হৈছে, তাক নিৰ্ণয় কৰা;
- দেহোপজীৱিনীসকলৰ শাৰীৰিক স্বাস্থ্যৰ প্ৰতিফলন কেনেধৰণেৰে হৈছে, সেয়া বিচাৰ কৰা;
- দেহোপজীৱিনীসকলৰ মানসিক স্থিতি নিৰ্ণয় কৰা;
- নিৰ্বাচিত উপন্যাস দুখনত দেহোপজীৱিনীসকলৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতি সচেতনতা কেনেদৰে ফুটাই তুলিছে, তাক বিচাৰ কৰা।

**০.২ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰ**

অসমীয়া উপন্যাসত দেহোপজীৱিনী নাৰীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতিফলন সম্পৰ্কত আলোচনা কৰাটো এটা বহল পৰিসৰৰ বিষয়। গতিকে এই অধ্যয়নত হোমেন বৰগোহাঞিৰ *'সুবালা'* আৰু জুৰী বৰা বৰগোহাঞিৰ





*'ভোক'* উপন্যাস দুখনক পৰিসৰৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰা হৈছে। অধ্যয়ন কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ জৰিয়তে বিষয়ৰ বিশ্লেষণ কৰা হৈছে।

**১.০ 'সুবালা' আৰু 'ভোক' উপন্যাসৰ বিষয়বস্তু**

'সুবালা' আৰু 'ভোক' উভয়ে দেহোপজীৱিনী নাৰীৰ জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাস। ১৯৬৩ চনত প্ৰকাশিত হোমেন বৰগোহাঞিৰ 'সুবালা' উপন্যাসত নিষ্ঠুৰ দৰিদ্ৰতা অথবা ঘটনাৰ পাক্‌চক্ৰত সোমাই দেহোপজীৱিনী নাৰীলৈ ৰূপান্তৰ হোৱা সুবালাৰ জীৱন যন্ত্ৰণাৰ প্ৰকাশ ঘটিছে। উপন্যাসত বৰ্ণিত কাহিনী অনুসৰি প্ৰত্যক্ষভাৱে দৰিদ্ৰতাই সুবালাক বেশ্যা বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা নাই; বৰঞ্চ তাই গাঁৱৰে ডেকা নৰেন আৰু এগৰাকী দালালি বুঢ়ীৰ ষড়যন্ত্ৰৰ বলি হৈ দেহোপজীৱিনীত পৰিণত হৈছে। অন্যহাতে সুবালাৰ মাকে পেটৰ ভাতসাজ উলিওৱাৰ স্বাৰ্থত সিহঁতৰ (সুবালা, বায়েক আৰু ভায়েক) অজ্ঞাতে পইচাৰ বিনিময়ত অন্য পুৰুষৰ সৈতে যৌন সম্পৰ্ক কৰিবলৈ বাধ্য হোৱা দেখা গৈছে। উপন্যাসখনত দালালি কৰা বেশ্যা বুঢ়ীগৰাকী থকা বেশ্যালয়ৰ পৰিৱেশ বৰ্ণনাৰ মাজেৰে দৰিদ্ৰতাৰ কুৎসিত ৰূপ ফুটি উঠিছে। পুৰুষৰ ভিন্ন মানসিকতা, নাৰীৰ ওপৰত পুৰুষৰ শাৰীৰিক-মানসিক নিৰ্যাতন, যৌন ক্ষুধা, বিকৃত যৌন মানসিকতা, বেশ্যালয়ৰ পৰিৱেশ; নাৰীৰ স্বাভাৱিক আকাংক্ষা, আশা ভংগ; দেহোপজীৱিনী নাৰীৰ প্ৰতি পুৰুষৰ কটু বাক্য, অসভ্য আচৰণ আদিৰ মুক্ত প্ৰকাশ উপন্যাসখনৰ মাজত দেখিবলৈ পোৱা যায়।

২০১৫ চনত প্ৰকাশিত জুৰী বৰা বৰগোহাঞিৰ 'ভোক' উপন্যাসত ভাৰত-চীনৰ যুদ্ধকালীন পৰিস্থিতিৰ ফলত ঘৰ-দুৱাৰ, পৰিয়াল সকলো বাদ পৰি ৰোৱাৰ পাছত পেটৰ ভাত মুঠি মোকলোৱাৰ স্বাৰ্থত দেহোপজীৱিনীলৈ ৰূপান্তৰ হোৱা অনেক নাৰীৰ জীৱন চিত্ৰ প্ৰকাশ পাইছে। তদুপৰি দেহ ব্যৱসায়ীৰ চক্ৰান্ত, আত্মীয় পুৰুষৰদ্বাৰা বলাৎকাৰ, সামাজিক কু-প্ৰথা, প্ৰেমৰ চক্ৰান্ত, পৰিয়ালৰ ভৰণ-পোষণ আদি বিভিন্ন কাৰণৰ ফলত দেহোপজীৱিনীত পৰিণত হোৱা বিভিন্ন নাৰীৰ সৰু-বৰ জীৱন কাহিনী উপন্যাসখনত প্ৰকাশ পাইছে। আকৌ উপন্যাসখনত দেহ ব্যৱসায়ৰ এখন বৃহৎ বজাৰৰ চিত্ৰণ দেখা পোৱা যায়। ইয়াৰ উপৰি দেহোপজীৱিনীসকলৰ শাৰীৰিক-মানসিক যন্ত্ৰণা, তেওঁলোকৰ ওপৰত কৰা অত্যাচাৰ; তেওঁলোকৰ ব্যক্তিগত আশা-আকাংক্ষা, স্বপ্নভংগ; দেহোপজীৱিনীসকলৰ প্ৰতি সামাজিক দৃষ্টিভংগী, বেশ্যালয়ৰ অস্বাস্থ্যকৰ পৰিৱেশ, পুৰুষৰ মানসিকতা আদি বিভিন্ন দিশৰ প্ৰতিফলন উপন্যাসখনত আছে। অন্যহাতে ক'ব পাৰি যে, উপন্যাসখনত প্ৰথম পুৰুষত কাহিনী বৰ্ণনা কৰি যোৱা এক নামবিহীন চৰিত্ৰৰ জীৱন গাথাৰ মাজেৰে সকলো দেহোপজীৱিনী নাৰীক প্ৰতিনিধিত্ব কৰি তেওঁলোকৰ জীৱন যন্ত্ৰণাৰ ছবি দাঙি ধৰা দেখা গৈছে।

**১.১ দুৰ্বল অথবা ৰুগীয়া শাৰীৰিক স্বাস্থ্যৰ প্ৰতিফলন**

দেহোপজীৱিনী নাৰীসকলৰ মাজত সততে পৰিলক্ষিত এটা দিশ হৈছে—– সময়ৰ গতিত স্বাস্থ্যৰ দুৰ্বলতা। প্ৰত্যেকদিনে যথেষ্ট পুৰুষৰ লগত কৰা যৌন সম্পৰ্ক, অসংখ্যবাৰ গৰ্ভত সন্তান নষ্ট কৰা আদিৰ ফলত এনে নাৰীসকলে জীৱনজোৰা শাৰীৰিক পীড়া সহ্য কৰিব লগা হয়। বিশেষভাৱে সকলো নাৰীয়েই পেট বিষৰ অসম্ভৱ যন্ত্ৰণাত ভুগিব লগা হোৱা দেখা যায়। প্ৰায়সকলৰে যৌনাংগ নিম্নগামী হয় আৰু তেওঁলোকৰ গাৰ পৰা দুৰ্গন্ধ নিৰ্গত হয়। 'ভোক' উপন্যাসৰ মূল নাৰী চৰিত্ৰটিৰ লগতে পতলা, ভাৰতী দিদি, ৰেণুকা, ৰুবেয়া, চিনু আদি প্ৰায়বোৰৰ ক্ষেত্ৰতেই উপলব্ধ

বিভিন্ন শাৰীৰিক যন্ত্ৰণাৰ ছবি উপন্যাসখনত ফুটি উঠিছে। পতলাৰ ক্ষেত্ৰত তেনে বৰ্ণনা এইধৰণৰ— *তাই বাৰান্দাত আঁঠু কোঁচাই বহি আছে। তাইৰ ওলমা গৰ্ভাশয় দেখা গৈছে। তাই ভৰত খোজ কাঢ়িব পৰা নাই। ওলমি লৰি যায়। যন্ত্ৰণা হয়। তাইৰ খোজ কঢ়াই বন্ধ হৈ গৈছে। য'তে ত'তে লেধেপা লাগি বহি থাকে।*[৮] এই মহিলাসকল বিভিন্ন সময়ত বিভিন্ন ৰোগৰদ্বাৰা আক্ৰান্ত হৈ থাকে। উপন্যাসৰ অন্যতম চৰিত্ৰ জেইমালাৰ শৰীৰত দেখা পোৱা ৰোগ সম্পৰ্কে এনেদৰে বৰ্ণনা কৰা হৈছে— *তাইৰ পেটৰ টিউমাৰ বাঢ়ি গৈ চাগে বৃহৎ আকাৰ হৈছে। তাইৰ পেটটো উখহি ডাঙৰ হৈ পৰিছে। মানুহবোৰে পাতিছে জেইমালাৰ কেঞ্চাৰ হৈছে। ইয়াত বহুত মানুহ কেঞ্চাৰ হৈ মৰিছে। লক্ষণ একেই। মানুহজনীৰ পেটটোৰ বাহিৰে বাকী অংগবোৰ খৰি শুকুৰাদি শুকাইছে।*[৯] আকৌ ৰুবেয়াৰ ৰুগীয়া দেহাৰ চিত্ৰণ উপন্যাসখনত এনেদৰে ফুটি উঠিছে— *তাইৰ গোটেই গাত খজুৰতি বিয়পিছে। যৌনাংগৰ পৰাই খজুৰতি হৈ এই অৱস্থা। কিছুমানে কৈছে গনৰীয়া। তাইৰ গাৰ অ'ৰ ত'ৰপৰা মঙহ খহি পৰিছে। নাকত ঘা লাগিছে। মানুহবোৰে পাতিছে, আগতে ইয়াত নাক খহা মানুহ আছিল। ৰুবেয়াৰো তেনেকুৱা হ'বগৈ। খহি পৰা ঠাইখিনিত ঘা লাগি বিয়পি যোৱা দেখি আটাইয়ে ঘিণ কৰে। মোৰো সহ্য নোহোৱা হৈছে। ওচৰ চাপিলেই সিহঁতৰ গাৰ পৰা ওলোৱা অকটা গোন্ধ আহি নাকত লাগে।*[১০]

ঠিক সেইদৰে দেহোপজীৱিনী নাৰীসকলৰ বয়স বঢ়াৰ লগে লগে শৰীৰৰ দুৰ্বলতা বাঢ়ি অহা পৰিলক্ষিত হয় আৰু সেই দুৰ্বলতা দূৰ কৰিবৰ বাবেও তেওঁলোক আৰ্থিকভাৱে সবল নহয়। সেই দিশটোৰ প্ৰতিফলন 'ভোক' উপন্যাসৰ মূল চৰিত্ৰৰ কথাৰ মাজেৰে এনেদৰে প্ৰতিফলন ঘটিছে— *আমাৰ বয়স বাঢ়িছে। লাহে লাহে শৰীৰ পৰি আহিব। পুনমৰ সৰু-সুৰা গা বেয়া হৈয়ে থাকে। ধৰফৰাই থাকিলো। মোৰো আজিকালি বুকু ধপ্‌ধপায়। ভৰিবোৰ উখহি থাকে। মোৰ তেজ কমিছে। ভোক কমিছে। তলপেটৰ বিষ, ডাক্তৰক দেখুৱাব পৰা নাই। বয়স হৈ গ'লে মোৰো গৰ্ভাশয় নামি আহিব, খজুৰতি হৈ ঘা লাগিব, চকুৰে নেদেখা হৈ যাম। কি হ'ব আমাৰ। কোনে ডাক্তৰৰ ওচৰলৈ নিব? পইচা কোনে দিব।...*[১১]

বহুসময়ত দেহোপজীৱিনী নাৰীসকলৰ ওপৰত পুৰুষে কৰা অমানুষিক শাৰীৰিক অত্যাচাৰেও তেওঁলোকৰ শৰীৰত আঘাত কৰে। 'সুবালা' উপন্যাসখনত পুৰুষৰ শাৰীৰিক নিৰ্যাতনৰ বৰ্ণনা সুবালাৰ ওপৰত মেনেজাৰে কৰা অত্যাচাৰৰ মাজেৰে ফুটি উঠিছে—

. . . *মই বেৰাখনৰ কাষ নৌ পাওঁতেই সি পাছফালৰ পৰা আহি মোৰ চুলিকোছাতে খামোচ মাৰি ধৰি মোক টানিবলৈ ধৰিলে।... মোৰ তল পেটত প্ৰচণ্ড গোৰ এটা মাৰি মোক মাটিত পেলাই দিলে। এইবাৰ যন্ত্ৰণাত আধামৰা হৈ লৰচৰ কৰিব নোৱাৰি মই মাটিত একে ঠাইতে পৰি ৰ'লো। . . . মই মাটিত পৰি যোৱাৰ লগে লগে মেনেজাৰে মোৰ দেহৰ সমস্ত অংশতে নিষ্ঠুৰভাৱে গুৰিয়াবলৈ ধৰিলে। চাৰি-পাঁচটামান গোৰ খোৱা পাছতেই মই বোধহয় সংজ্ঞা হেৰুৱাই পেলালো...।*[১২]

বিকৃত মানসিকতাৰ পুৰুষে মহিলাৰ ওপৰত কৰা অত্যাচাৰৰ পৰিচয় 'সুবালা' উপন্যসখনত পোৱা যায়। ৰঞ্জিতে ছোৱালী এজনীক কৰা অত্যাচাৰৰ মাজেৰে এনে ছবি ফুটি উঠিছে—*... সি তাইক বিছনাত শুৱাই দি তাইৰ হাত ভৰি আৰু মুখ কাপোৰেৰে কটকটীয়াকৈ বান্ধি পেলালে। তাৰ পাছত সি তাইক উলংগ কৰিলে।... হঠাৎ এবাৰ ৰঞ্জিতে তাইৰ পিয়াহত দাঁত বহি যোৱাকৈ এনে এটা কামোৰ মাৰি দিলে যে যন্ত্ৰণাত তাইৰ গোটেই দেহ ধৰ্‌ফৰাই*





*উঠিল। চিঞৰ মাৰিবলৈ বা গাটো লৰাবলৈকো উপায় নাই, হাত মুখ সকলো বন্ধা। ৰঞ্জিতে তাইৰ পিয়াহৰপৰা মুখখন যেতিয়া এৰুৱাই আনিলে, তাৰ ওঁঠত লাগি আছে ছোৱালীজনীৰ গাৰ কেঁচা তেজ। ভয়ত আৰু যন্ত্ৰণাত আধামৰা হৈ তাই হাত-ভৰিৰ বান্ধবোৰ খুলিবলৈ চেষ্টা কৰা দেখি ৰঞ্জিতে হাঃ হাঃকৈ অট্টহাস্য কৰি উঠিল আৰু তাইৰ বুকুৰ ওপৰত বহি লৈ দোপ দিবলৈ ধৰিলে। তাৰ গাৰ হেঁচাত ছোৱালীজনীৰ হাড়-মূৰ ভাগি যাবৰ উপক্ৰম হ'ল। অলপ পাছত সি তাইৰ বুকুৰ ওপৰৰ পৰা নামি এফালৰ পৰা তাইৰ গোটেই গাটো কামুৰিবলৈ ধৰিলে।*[১৩] আকৌ উদণ্ড পুৰুষে কৰা শাৰীৰিক নিৰ্যাতনৰ ছবি কান্তিয়ে সুবালাক কৰা মাৰ-পিটৰ মাজেৰে ফুটি উঠিছে। এই মহিলাসকলৰ এজন মালিক থাকে। মালিকক পইচাৰে সন্তুষ্ট কৰিব নোৱাৰিলে শাৰীৰিক নিৰ্যাতন সহিব লগা হয়। আকৌ এনে নাৰীয়ে কেতিয়াবা ল'ৰা হোষ্টেলত বহুতো পুৰুষৰ লগত একেলগে কৰা যৌন সংগমৰ ফলত হোৱা শাৰীৰিক কষ্ট, কেতিয়াবা বানচ দিব নোৱাৰি পুলিচৰপৰা মাৰ খোৱা আদি দিশবোৰে তেওঁলোকৰ স্বাস্থ্যৰ অৱনতিত অৰিহণা যোগায়। তেনে দিশবোৰৰ প্ৰতিফলনো উপন্যাস দুখনত পৰিলক্ষিত হৈছে।

### ১.২ স্বাস্থ্যৰ প্ৰতি অৱহেলা

দেহোপজীৱিনী নাৰীসকলে তেওঁলোকৰ বৃত্তিটোত কোনো বিৰতি নপৰিবৰ বাবে স্বাস্থ্যৰ প্ৰতি হানিকাৰক কিছুমান কাম কৰি থকা পৰিলক্ষিত হয়। তেওঁলোকে সন্তান জন্ম দিয়া কথাটোৰ সাধাৰণতে বিৰোধিতা কৰে আৰু ইটোৰ পিছত সিটো গৰ্ভত সন্তান নষ্ট কৰি থাকিবলৈও কুণ্ঠাবোধ নকৰে। ভ্ৰূণ হত্যাৰ ঔষধ এটা খোৱাটো যেন তেওঁলোকৰ বাবে পায়খানা বন্ধ থকাৰ কাৰণে জুলাপৰ বড়ি এটা খোৱাৰ দৰে সাধাৰণ কাম। 'সুবালা' উপন্যাসখনত এই কথাৰ স্পষ্ট প্ৰতিফলন দেখা যায়। সুবালাৰ ভাষাত— *এদিন মই নিজেই ভাবিবলৈ শিকিলো যে অবাঞ্ছিত গৰ্ভধাৰণ মোৰ কাৰণে আচলতে পায়খানা বন্ধ থকাৰ নিচিনা এটা তুচ্ছ ক্ষণস্থায়ী অসুখ মাত্ৰ। ভ্ৰূণ নাশ কৰা আৰু শৌচ পৰিষ্কাৰ ৰখা মোৰ কাৰণে একেই কথা।*[১৪] উপন্যাসখনত ঘৰুৱা পদ্ধতিৰে দৰৱ খাই সন্তান নষ্ট কৰা আৰু তাৰ ৰক্তাক্ত যন্ত্ৰণাৰ চিত্ৰ এনেদৰে ফুটি উঠিছে— *সময় যোৱাৰ লগে লগে পেটৰ ভিতৰৰ মাংসপিণ্ডটো তললৈ নামি যোৱা মই স্পষ্টভাৱে অনুভৱ কৰিলোঁ আৰু লগে লগে গৰ্ভৰ ভিতৰত তাক বান্ধি ৰখা সমস্ত মাংস আৰু নাড়ীৰ বন্ধন সি যেন হিংস্ৰ নিষ্ঠুৰতাৰে ছিঙি যাবলৈ ধৰিলে। গৰ্ভৰ চাৰিওফালে হেজাৰ হেজাৰ বেজিৰ খোঁচ খোৱাৰ দৰে মই যন্ত্ৰণাত চেঙালুটি পাৰিবলৈ ধৰিলো। মই কিহৰ কাৰণে ভুগিছো এই যন্ত্ৰণা? সময় বোধহয় দুপৰীয়া হ'ল। অসহ্য জ্বৰত গাটো পুৰি যোৱা যেন মই অনুভৱ কৰিলোঁ। চকু দুটা যেন বাহিৰলৈ ওলাই যাব খোজে, একো বস্তুকেই ভালকৈ মনিব নোৱাৰো। উশাহ লোৱাতো মই কষ্ট অনুভৱ কৰিবলৈ ধৰিলো। মাংসপিণ্ডটো যেন কঁকালৰ অলপ তললৈ নামি হঠাৎ কিবা এটা খণ্ডত বাহিৰ নহও বুলি জেদ ধৰি থমকি ৰৈছে, আৰু তাৰে পৰা তলে-ওপৰে দেহৰ সমস্ত ৰক্ত প্ৰবাহত সঞ্চাৰিত কৰি দিছে ইটোৰ পিছত সিটো যন্ত্ৰণাৰ জোৱাৰ। মোৰ গোটেই দেহটো কোছ খাই ধেনুভিৰীয়া হৈ পৰিল।*[১৫] ঠিক সেইদৰে 'ভোক' উপন্যাসখনতো দেহোপজীৱিনী নাৰীসকলে গৰ্ভ নষ্ট কৰাৰ দৰে হানিকাৰক কাম কৰাৰ বৰ্ণনা পোৱা যায়। কোনো কোনো মহিলাই পেট খহোৱা দৰৱ অনবৰতে হাততে ৰাখে। গছৰ শিপা দুই কৰঙনৰ ফাকেৰে যৌনাংগত ভৰাই পেট খহায়। তেনে কৰিলে কেইবাদিন পৰ্যন্ত তেজ হলহলাই বয়। ফলত বাৰে বাৰে একেটা কাম কৰাৰ বাবে স্বাস্থ্যৰ অৱনতি ঘটিবলৈ লয়। আকৌ তেনে দৰৱ বহুতে আনকো বিলাই ফুৰে। কোনো কোনো নাৰীৰ গৰ্ভাশয় ওলাই আঠু পায়হি, গোন্ধ ওলায়। চিকিৎসা কৰাৰ সুবিধা নথকাৰ ফলত

তেনেদৰেই দিন কটায় আৰু গৰ্ভাশয়ত মাখি পৰি থকাৰ দৰে পৰিস্থিতিৰ সন্মুখীন হোৱা দেখা যায়। 'ভোক' উপন্যাসখনত চিত্ৰিত পতলা, ৰেণুকা, ভাৰতী, জেইমালা আদিৰ ক্ষেত্ৰত তেনে হোৱা পৰিলক্ষিত হৈছে। আকৌ বুঢ়া বয়সত বেমাৰ-আজাৰ হ'লেও চিকিৎসাৰ কোনো সুবিধা নাপায়। খাটতে লেটি লৈ পৰি থাকিবলগীয়া অৱস্থাৰ সৃষ্টি হয়। চিনু চৰিত্ৰৰ ক্ষেত্ৰতো তেনে হোৱা দেখা যায়। বুঢ়াকালত ভিক্ষা মাগিবলগীয়া হোৱা আৰু পইচা ঘটিব নোৱাৰাৰ বাবে বহুতক কোঠাৰপৰা উলিয়াই দিয়াও পৰিলক্ষিত হয়।

বহু সময়ত যৌনকৰ্মৰ লগত জড়িত নাৰীসকলৰ ক্ষেত্ৰত সম্পূৰ্ণ গাভৰু হ'বলৈ নাপাওঁতেই কিশোৰী বয়সতে ইটোৰ পিছত সিটো সন্তানে গৰ্ভত স্থিতি লয় আৰু গ্ৰাহকসকলেও সাৱধানতা অৱলম্বন কৰিব নিবিচাৰে। ফলত সন্তান জন্ম দি দি যৌনাংগ দুৰ্বল হৈ যায়। অহৰহ তেজ নিৰ্গত হোৱা আৰু উপযুক্ত চিকিৎসাৰ আৰু পুষ্টিৰ অভাৱত শৰীৰৰ কামিহাড় ওলাই যাবলৈ ধৰে। কিছুমান নিকৃষ্ট পুৰুষে এনেকুৱা কষ্ট দিয়ে যে দুই-তিনিদিন উঠিব নোৱাৰাৰ পৰিস্থিতিৰ সন্মুখীন হয়, ইউতেৰাচত ঘা পৰ্যন্ত লাগি যায়।[১৬]

আকৌ এনে নাৰীসকলৰ বিভিন্ন ৰকমৰ অচিনাকি পুৰুষৰ লগত যৌন সম্পৰ্ক কৰি বিভিন্ন বেমাৰ আনি লোৱা পৰিলক্ষিত হয়। 'ভোক' উপন্যাসৰ ৰেচমা চৰিত্ৰৰ ক্ষেত্ৰত তেনে হোৱা মন কৰা যায়। কিছুমান মহিলাই সাৱধানতা অৱলম্বন কৰি যৌন সম্পৰ্ক কৰে; কিন্তু সকলোৰে ক্ষেত্ৰত তেনে নহয়। ফলত কৰঙন ফুলি উঠা, ঘা লগা, খজুৰতি, তল পেটৰ বিষ উঠা আদি সমস্যাবোৰে দেখা দিয়ে। যৌনকৰ্মী নাৰীসকলৰ মাজত অনবৰতে অস্বাস্থ্যকৰ পৰিৱেশ এটা চলি থাকে বুলিব পাৰি। দেহোপজীৱিনীসকলৰপৰা গ্ৰাহকলৈ বেমাৰ বিয়পে নে গ্ৰাহকৰপৰা দেহোপজীৱিনীসকললৈ বেমাৰ বিয়পে সেয়া কোনেও নিৰ্ণয় কৰিব নোৱাৰে। যৌনাংগ ফুলি উঠা, গাত খহু হোৱাৰ দৰে বেমাৰ নাৰীসকলৰ লগতে গ্ৰাহকসকলৰো হোৱা দেখা যায়। 'ভোক' উপন্যাসত মায়াৰ এজন গ্ৰাহকৰ ক্ষেত্ৰত তেনে হোৱা পৰিলক্ষিত হৈছে—

> *মানুহজনে লুঙীখন দাঙিলে। তাৰ উখহি থকা যৌনাংগ ওলাই পৰিল।*
>
> *. . . চালীহঁতে মোৰ অৱস্থা কি কৰিলে চা। আগতে মই ইয়ালৈ আহিছিলোঁ। তেতিয়াই এই বেমাৰ লাগিল। মোক বেমাৰৰ বাবে নতুন ঘৈণীয়ে এৰি গৈছে। তহঁতৰ বাবে মোৰ এই বেমাৰ।*
>
> *. . .*
>
> *মানুহটোৰ সমস্ত গাত খহু। কিছুমানৰ পৰা পানী ওলাই আছে। তাৰ চেহেৰাটো বীভৎস হৈ পৰিছে।*[১৭]

দেহোপজীৱিনী নাৰীসকলে স্বাস্থ্যৰ প্ৰতি অৱহেলা কৰাৰ মূল কাৰণ হিচাপে বেশ্যাবৃত্তিটোৰ কথা ক'ব পাৰোঁ। তেওঁলোকৰ বৃত্তিটোৰ আঁৰত থকা মূল কথাটোৱে হৈছে যে যৌন সংগমেৰে পুৰুষক সন্তুষ্ট কৰা। এই ক্ষেত্ৰত যদি তেওঁলোকে গ্ৰাহকক সন্তুষ্ট কৰাত ব্যৰ্থ হয় তেতিয়া এই নাৰীসকলৰ উপাৰ্জনৰ পথ বন্ধ হৈ যাব পাৰে। গতিকে গ্ৰাহকক সন্তুষ্ট কৰিবলৈ গৈ বহু সময়ত তেওঁলোকে ইচ্ছা অনুসৰি বা ইচ্ছা নথকা সত্বেও কিছুমান অৱহেলাজনিত কাম কৰিবলগীয়া হয়। এই ক্ষেত্ৰত এই বৃত্তিটোৱে তেওঁলোকৰ স্বাস্থ্যত প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱ পেলায়।





**১.৩ মানসিক স্থিতিৰ প্ৰতিফলন**

প্ৰত্যেকগৰাকী দেহ-ব্যৱসায়ী নাৰীৰ অন্তৰালত থাকে এটা যন্ত্ৰণাদায়ক কাহিনী। সুবালাৰ অন্তৰালত আছে ভায়েকক জীয়াই জীয়াই জুয়ে পোৰা, মাকে মানসিক ভাৰসাম্য হেৰুওৱা অৱস্থা, অভাৱ, ভোকাতুৰ পেটৰ যন্ত্ৰণা ইত্যাদি। তদুপৰি গাঁৱৰে লম্পট ডেকা নৰেনৰ অশালীন ব্যৱহাৰে সুবালাক মানসিক আঘাত হানিছে। পুৰুষৰ এটা চাৱনিয়েও নাৰীক দি থৈ যায় মানসিক যন্ত্ৰণা, যিটো নৰেনৰ চাৱনিয়ে সুবালাক দিছে— *হিচ কৰি শব্দ এটা কৰি সাপৰ জিভা এখনে যেন মোৰ মুখখন চেলেক মাৰিহে গ'ল, এটা ঠাণ্ডা, ভয়াবহ আৰু ঘিণলগা অনুভূতিত মোৰ সৰ্বশৰীৰ শিহৰি উঠিল।*[১৮]

অন্যহাতে ক'ব পাৰি যে বেশ্যা বৃত্তি প্ৰকৃতাৰ্থত কোনো সহজ বৃত্তি নহয়; বিভিন্ন নাৰীয়ে বিভিন্ন ঘটনাৰ পাক্চক্ৰত পৰিহে এনে বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য হয়। অন্যথা সকলো নাৰীয়েই বিচাৰে এটা সহজ-সৰল, অনুভূতিপ্ৰৱণ, সুখ-আনন্দৰে ভৰা জীৱন। অথচ দেহোপজীৱিনী নাৰীসকলে অনিচ্ছাকৃতভাৱেই অনেক কাম কৰিবলগীয়া হয়; সুখ-আনন্দই খুব কমেইহে তেওঁলোকৰ জীৱনত ভুমুকি মাৰে। সেই জগতখনত নাৰীসকলে আপোন বুলি, সঁচা মৰম-আদৰ কৰা কোনো মানুহ বিচাৰি নাপায়। সকলো তেওঁলোকৰ ওচৰলৈ দৈহিক ক্ষুধা পূৰণ কৰিবলৈহে আহে। মানসিক জগতখনত যেন তেওঁলোক একেবাৰেই নিঃসংগ হৈ থাকে। তেওঁলোক সময়ৰ গতিত হৈ পৰে একো একোটা অনুভূতিহীন সত্তা। এই দিশটোৰ নিৰ্মম প্ৰকাশ 'সুবালা' উপন্যাসখনত এনেদৰে পোৱা যায়—

> *বেশ্যাই দিনে-ৰাতিয়ে শত-সহস্ৰ পুৰুষক দৈহিক মিলনৰ আনন্দ দিয়ে, কিন্তু এনেকুৱা বেশ্যা বোধহয় খুব কমেইহে আছে- যি নিজে জীৱনত অন্তত এবাৰৰ কাৰণেও সেই আনন্দৰ অভিজ্ঞতা লাভ কৰে। যৌন অনুভূতিক সম্পূৰ্ণ বিলুপ্ত কৰি ল'ব নোৱাৰিলে বেশ্যা-গিৰী কৰা সম্ভৱ নহয়। ব্যৱসায়ৰ সফলতম সময়ছোৱাত একো একোজনী সুন্দৰী বেশ্যাই দিনে অন্ততঃ কুৰি পঁচিশটাকৈ পুৰুষৰ দাবী পূৰণ কৰিব লগা হয়। তেনে অৱস্থাত নিজৰ দেহটো সম্পূৰ্ণ অনুভূতিশূন্য কৰি যন্ত্ৰত পৰিণত কৰিব নোৱাৰিলে কোনো তিৰোতাৰ পক্ষেই ইমানবোৰ পুৰুষৰ লগত সহবাস সম্ভৱ নহয়। এই অনুভূতি-শূন্যতা অৱশেষত যন্ত্ৰত পৰিণত হয়। গ্ৰাহকক সন্তুষ্ট কৰিবলৈ বেশ্যাই বাহিৰত যি পৰিতৃপ্তিৰ ভাও দেখুৱায়, সি বিশুদ্ধ অভিনয়ৰ বাহিৰে একো নহয়। বেশ্যাই প্ৰতি মুহূৰ্ততে দুখন বিভিন্ন জগতত বাস কৰে। এখন তাইৰ নিজৰ জগৎ, অন্ধকাৰ হিম-শীতল জগৎ, য'ত তাই সম্পূৰ্ণ নিসংগ, . . .। আনখন জগতত তাই এখন অন্তহীন নাটকৰ ব্যৱসায়ী অভিনেত্ৰী. . .।*[১৯]

দেহোপজীৱিনী নাৰীসকলে প্ৰেম কৰা মানে যেন মৃত্যুক আঁকোৱালি লোৱাহে। সৌভাগ্যবশতঃ কোনো এক বিশ্বাসী পুৰুষৰ প্ৰেমত পৰিলেও বেশ্যালয়ৰ ষড়যন্ত্ৰকাৰীৰ চক্ৰান্তত সেই প্ৰেমক পূৰ্ণতা দিবলৈ নাপায়। ফলত তেনে দুখে তেওঁলোকক এনে এক মানসিক অৱস্থালৈ লৈ যায় যে আত্মহত্যাৰ দৰে পথ বাছি ল'বলৈ বাধ্য হয়। 'ভোক' উপন্যাসৰ শেফালীৰ ক্ষেত্ৰত তেনে হোৱা পৰিলক্ষিত হৈছে। পুৰনক নোপোৱাৰ যন্ত্ৰণাত তাই নিজক ধ্বংস কৰাৰ পথ বাছি লৈছে। এনে নাৰীসকলৰ মাজত সাধাৰণতে ঈৰ্ষাত্মক পৰিস্থিতি এটাই বিৰাজ কৰি থকা পৰিলক্ষিত হয়। কেৱল দেহৰ সৌন্দৰ্য থকালৈকে তেওঁলোকৰ ওচৰলৈ গ্ৰাহক আহে আৰু বয়সে ভাটি দিয়াৰ লগে লগে উপাৰ্জনৰ বাট বন্ধ হ'বলৈ লয়। তেওঁলোকৰ মাজত নতুনকৈ সেই বৃত্তিত যোগ দিয়াসকলে শৰীৰৰ বজাৰখনত অধিক দাম পোৱা দেখা যায়। 'ভোক' উপন্যাসখনত তেনে পৰিস্থিতি চিত্ৰিত হৈছে। প্ৰেমাই নতুনকৈ ব্যৱসায়ত নমা

চাজিনাৰ প্ৰতি সদায় এক ঈৰ্ষা অনুভৱ কৰে। কাৰণ চাজিনাৰ বাবে প্ৰেমাৰ গ্ৰাহক কমিবলৈ লৈছে। চাজিনা নহালৈকে প্ৰেমা সেইখন বজাৰত ৰাণীৰ দৰে আছিল আৰু কম বয়সীয়া চাজিনা আহি তাই ৰাণীলৈ পৰিণত হ'ল। দাম থকা বেশ্যাৰ পৰা কমদামী হোৱাৰ যন্ত্ৰণাৰ ভয়ত এনে নাৰীসকলৰ মনত জেদ আৰু জ্বলনৰ উৎপত্তি হয়। ফলত হাই-কাজিয়াৰ লগতে বহু সময়ত তেওঁলোকে অনৈতিক পথ বাচি ল'বলৈও যেন কুণ্ঠাবোধ নকৰে। দেহোপজীৱিনীৰ মনত থকা ভৱিষ্যতৰ আৰ্থিক সংকটৰ আশংকা, শৰীৰৰ বজাৰত দাম কমি যোৱাৰ অপমান আদিৰ বাবেই প্ৰেমাৰ মনত চাজিনাক মানুহ লগাই হত্যা কৰাৰ দৰে ভাবনাৰ উৎপন্ন হৈছে। গ্ৰাহকৰদ্বাৰা অৱহেলিত হোৱা প্ৰেমাৰ অস্থিৰ মানসিক জগতখন, চাজিনাৰ প্ৰতি থকা জ্বলন আদিৰ প্ৰেমাই দিদিক কোৱা কথাৰ মাজেৰে এনেদৰে ফুটি উঠিছে—
*নুচুবি মোক। চা, আজি এটা কাষ্টমাৰে মোক ক'লে মোৰ লগত টেষ্ট নাই। মই হেনো পুৰণা। ৰস নাইকিয়া। চা চা সি মোৰ কাপোৰ খুলি আধাতে এৰি থৈ গ'ল। চাজিনা হেনো ভাল। কোমল। এঘন্টা বহি বহি সি উঠি গ'ল। মোক একো নিদিয়াকৈ। অলপ দিনৰ আগতে সি মোক ৰাতিপুৱাই বুক কৰিছিল। আজি এটকাও নাই। তই কিবা বুজিলি। . . . আমি চিপ ৰমেন। সস্তীয়া মাইকী। সমাজে হেনো ঘিণ কৰে সস্তীয়া মাইকীক। মই সস্তীয়া নহয়। মই দামী মাইকী। চাজিনা চিপেষ্ট ৰমেন।*[২০]

দেহৰ ব্যৱসায় কৰি জীৱিকা কৰা মহিলাসকলৰ পৰিয়ালৰ অন্য নাৰীয়ে হওক বা সন্তানেই হওক নিকা জীৱন চৰ্যাত থাকিলেও সমাজৰ কটু দৃষ্টিৰ সন্মুখীন হ'ব লগা হয়। 'ভোক' উপন্যাসৰ মূল চৰিত্ৰটিৰ পেহীয়েক দেহোপজীৱিনী বৃত্তিত জড়িত বাবে শৈশৱতে তাই সমনীয়াৰপৰা নিন্দাৰ সন্মুখীন হৈছে। সেই নিন্দাই যি মানসিক আঘাত দিছে তাৰ ফলতেই উপন্যাসৰ প্ৰধান চৰিত্ৰ (পৰৱৰ্তী সময়ত সকলোৰে 'দিদি'ৰূপে পৰিচিত) ইচ্ছাকৃতভাৱে বেশ্যা বৃত্তিত সোমাই পৰিছে।

দেহোপজীৱিনী মহিলাসকলে বহুত পুৰুষৰ লগত যৌন সম্পৰ্ক কৰিলেও কেতিয়াবা কোনো এজন পুৰুষৰ প্ৰতি আকৃষ্ট হয়, শৰীৰ-মনত এক শিহৰণ জাগি উঠে; কিন্তু পুৰুষসকলে অভিনয় কৰে, কেতিয়াও তেনে নাৰীৰ লগত থকা সম্পৰ্কৰ সামাজিক স্বীকৃতি দিব নিবিচাৰে।[২১] পুৰুষসকলে পত্নী থকা সত্ত্বেও এই নাৰীসকলৰ সৈতে যৌন সম্পৰ্ক কৰে, প্ৰেমৰ কথা কয় আৰু বেমাৰ- আজাৰ হ'লে সেই নাৰীক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে। এনেবোৰ কথায়ো দেহোপজীৱিনী নাৰীসকলৰ মনত মানসিকভাৱে অহৰহ অপমানিত, লাঞ্ছিত বোধ জন্মাই থাকে।

এনেদৰে বিভিন্ন দেহোপজীৱিনী নাৰীৰ অসুস্থ আৰু অস্বাস্থ্যকৰ মানসিক জগতখনৰ ছবি দুয়োখন উপন্যাসতে ফুটি উঠিছে।

### ১.৪ স্বাস্থ্যজনিত সচেতনতাৰ প্ৰসংগ

দেহ ব্যৱসায়ৰ লগত কিছুমান নাৰী-পুৰুষে সাৱধানতা অৱলম্বন কৰি যৌন সম্পৰ্ক কৰে, যিয়ে তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি থকা সচেতনতাকে প্ৰকাশ কৰে বুলিব পাৰি; কিন্তু সকলোৰে ক্ষেত্ৰত তেনে নহয়। বহু সময়ত বেশ্যা বৃত্তিৰ লগত জড়িত নাৰীসকল সচেতনতাসমূহৰ সম্পৰ্কে জ্ঞাত নহয়। ফলত বিভিন্ন চিকিৎসকৰ দল তেনে ঠাইসমূহলৈ গৈ সজাগতা গঢ়ি তোলাৰ চেষ্টা কৰা পৰিলক্ষিত হয়। তেনে যৌন বৃত্তিৰ লগত জড়িত মহিলাসকল থকা ঠাইসমূহলৈ স্বাস্থ্য পৰীক্ষা কৰিবলৈ চিকিৎসকৰ দল যোৱাৰ বৰ্ণনা 'ভোক' উপন্যাসখনত পোৱা যায়। বিভিন্ন সময়ত বে-চৰকাৰী সংগঠনসমূহে তেনে কাৰ্যব্যৱস্থা গ্ৰহণ কৰে; কিন্তু চিকিৎসাৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদান নকৰে— *NGO*





*মানুহে বাৰে বাৰে তেজ পৰীক্ষা কৰিব আহে, বেমাৰ আছে কয়, কিন্তু চিকিৎসা নকৰে।*[২২] বহু সময়ত তেজ পৰীক্ষা কৰাৰ পাছত এইড্‌ছ থকাৰ কথা এনে নাৰীসকলে জানিবলৈ পায় যদিও কোনো দৰৱ আদি খাবলৈ পোৱাৰ অভিজ্ঞতা নহয়।

### ২.০ উপসংহাৰ

হোমেন বৰগোহাঞিৰ 'সুবালা' আৰু জুৰী বৰা বৰগোহাঞিৰ 'ভোক'— উভয় উপন্যাসতে দেহোপজীৱিনী নাৰীৰ জীৱন চিত্ৰ অংকিত হৈছে যদিও স্বাস্থ্যজনিত প্ৰসংগবোৰৰ 'সুবালা'তকৈ 'ভোক' উপন্যাসত বিস্তৃত ৰূপত উপস্থাপিত হোৱা পৰিলক্ষিত হৈছে। 'ভোক' উপন্যাসত তেনে নাৰীসকলৰ শৰীৰত দেখা দিয়া ৰোগসমূহৰ বিস্তৃত বিৱৰণ পোৱা যায়। অৱশ্যে দেহোপজীৱিনীক কেন্দ্ৰ কৰি ৰচনা কৰা প্ৰথম উপন্যাস হিচাপে তেওঁলোকৰ জীৱন যন্ত্ৰণা, শাৰীৰিক-মানসিক অৱস্থাৰ চিত্ৰ অংকনত 'সুবালা' উপন্যাসৰ গুৰুত্ব অপৰিসীম। তদুপৰি উভয় উপন্যাসতে বৰ্ণনাৰ স্পষ্টতা আৰু বাস্তৱধৰ্মিতা বিদ্যমান। 'সুবালা' উপন্যাসখনত বিশেষভাৱে সুবালাৰ জীৱন কাহিনীয়ে গুৰুত্ব লাভ কৰাৰ বাবে তাইৰ লগত জড়িত কিছুমান নিৰ্দিষ্ট চৰিত্ৰৰ স্বাস্থ্যৰ প্ৰসংগ প্ৰকাশ পাইছে। অন্যহাতে 'ভোক' উপন্যাসত এছোৱা দীঘল সময়ক কেন্দ্ৰ কৰি অসংখ্যগৰাকী দেহোপজীৱিনী নাৰীৰ জীৱন যন্ত্ৰণাৰ লগতে স্বাস্থ্যৰ লগত জড়িত বিভিন্ন দিশৰ পুংখানুপুংখ প্ৰকাশ ঘটিছে। এই ক্ষেত্ৰত *অসমীয়া উপন্যাসত দেহোপজীৱিনী নাৰীৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতিফলন (হোমেন বৰগোহাঞিৰ 'সুবালা' আৰু জুৰী বৰা বৰগোহাঞিৰ 'ভোক' উপন্যাসৰ বিশেষ উল্লেখেৰে)*শীৰ্ষক বিষয়ৰ অধ্যয়নৰ জৰিয়তে তলত দিয়া সিদ্ধান্তসমূহত উপনীত হ'ব পাৰি—

- অসমীয়া সাহিত্যত দেহোপজীৱিনী নাৰীৰ শাৰীৰিক আৰু মানসিক অৱস্থা প্ৰকাশত 'সুবালা' আৰু 'ভোক' উপন্যাসৰ বিশেষভাৱে গুৰুত্ব আছে।
- উভয় উপন্যাসতে দেহোপজীৱিনী নাৰীৰ স্বাস্থ্যজনিত দুৰ্বলতা, শাৰীৰিক যন্ত্ৰণা আৰু তাৰ অন্তৰালৰ অস্বাস্থ্যকৰ কাৰ্যবোৰৰ প্ৰকাশ ঘটিছে আৰু ইয়ে সমাজৰে একশ্ৰেণী বিশেষ লোকক উদঙাই দেখুৱাইছে।
- 'ভোক' উপন্যাসত দেহোপজীৱিনীসকলৰ স্বাস্থ্যৰ প্ৰতি ল'বলগীয়া সচেতনতা সম্পৰ্কে বিভিন্ন দিশ উপস্থাপিত হৈছে। আধুনিক চিকিৎসা বিজ্ঞানৰ দৃষ্টিৰে ল'বলগীয়া সাৱধানতাসমূহৰ প্ৰতিও ঔপন্যাসিকে সচেতন দৃষ্টিভংগী প্ৰকাশ কৰিছে।
- উভয় উপন্যাসতে দেহোপজীৱিনী নাৰীৰ মানসিক অৱস্থাৰ সুকীয়া সুকীয়া ৰূপ পৰিলক্ষিত হৈছে। অৱশ্যে মানসিক স্বাস্থ্যৰ প্ৰতি ল'বলগীয়া সচেতনতাৰ বিশেষ উল্লেখ উপন্যাস দুখনত লক্ষ্য কৰা নাযায়।

### প্ৰসঙ্গ টোকা

১ জয়ন্ত কুমাৰ বৰা, *সুবালাৰ পৰা মৎস্যগন্ধালৈ হোমেন* বৰগোহাঞিৰ উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ, পৃ. ২৫-২৬
২ Sukumari Bhattacharji, Prostitution in Ancient India, *Social Scientist*,Vol. 15, No. 2, pp.32-61, https://www.jstor.org/stable/3520437
৩ বসন্ত খনিকৰ, *স্বৰাজোত্তৰ অসমীয়া উপন্যাসত নাৰী*, পৃ.১৫

৪ Roshni S., *Prostitution in India and Its Legality*, https://primelegal.in/2023/03/06/prostitution-in-india-and-its-legality/
৫ পদ্মনাথ গোহাঞিবৰুৱা, *অসম বুৰঞ্জী*, পৃ.৭৭
৬ নগেন ঠাকুৰ (সম্পা.), *এশ বছৰৰ অসমীয়া উপন্যাস*, পৃ.২৮
৭ প্ৰহ্লাদ কুমাৰ বৰুৱা, *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃ.১৩৫
৮ জুৰী বৰা বৰগোহাঞি, *ভোক*, পৃ.২১৭
৯ উল্লিখিত
১০ উল্লিখিত
১১ উল্লিখিত, পৃ.২৩০
১২ হোমেন বৰগোহাঞি, *সুবালা*, পৃ.৬৭
১৩ উল্লিখিত পৃ.৯০-৯১
১৪ উল্লিখিত, পৃ.১১৬
১৫ উল্লিখিত, পৃ.১১৬
১৬ জুৰী বৰা বৰগোহাঞি, ভোক, পৃ.৯৭
১৭ উল্লিখিত , পৃ.২২৪
১৮ হোমেন বৰগোহাঞি, সুবালা, পৃ.২২
১৯ উল্লিখিত, পৃ.১৩৫-১৩৬
২০ জুৰী বৰা বৰগোহাঞি, ভোক, পৃ.২২০-২২১
২১ উল্লিখিত, পৃ.২৮
২২ উল্লিখিত, পৃ.১৮৭

## গ্ৰন্থপঞ্জী

### মূল গ্ৰন্থ


বৰগোহাঞি, হোমেন ঃ *সুবালা*, ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, চতুৰ্থ সংস্কৰণ, ছেপ্তেম্বৰ, ২০০৮

বৰা বৰগোহাঞি, জুৰী ঃ *ভোক*, বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১, তৃতীয় প্ৰকাশ, নৱেম্বৰ, ২০১৫






### প্ৰাসংগিক গ্ৰন্থ

#### অসমীয়া


খনিকৰ, বসন্ত ঃ *স্বৰাজোত্তৰ অসমীয়া উপন্যাসত নাৰী*, পুণ্যপ্ৰভা প্ৰকাশন, দুলীয়াজান, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০১৯

গোহাঞিবৰুৱা, পদ্মনাথ ঃ *অসম বুৰঞ্জী*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, তৃতীয় প্ৰকাশ, আগষ্ট, ২০০৪

ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০০০

দাস, গীতা আৰু বন্তি দত্ত(সম্পা.) ঃ *প্ৰবন্ধ মালঞ্চ*, সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ, অসম, ২০১০

নেওগ, অণিমা ঃ *প্ৰবন্ধ গুচ্ছ*, যোৰহাট জিলা সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, এপ্ৰিল, ২০১১

বৰা, জয়ন্ত কুমাৰ ঃ *সুবালাৰ পৰা মৎস্যগন্ধালৈ হোমেন বৰগোহাঞিৰ উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ*, কিৰণ প্ৰকাশন, ডি.কে. মাৰ্কেট, ধেমাজি-৭৮৫০৫৭, প্ৰথম প্ৰকাশ, ২০০৭

বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, নতুন বজাৰ, ডিব্ৰুগড়-১, তৃতীয় প্ৰকাশ, ২০০৮

ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ *গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য*, চন্দ্ৰ প্ৰকাশ, টিহু, গুৱাহাটী, ১৯৯৩

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*, সৌমাৰ প্ৰকাশ, ৰিহাবাৰী, গুৱাহাটী-৮, দ্বিতীয় প্ৰকাশ, ২০০১


#### ইংৰাজী


Bhattacharji, Sukumari. *Prostitution in Ancient India. Social Scientist*. Vol. 15, No. 2 Feb,1987. https://www.jstor.org/stable/3520437.

Phookan Hazarika, Minakshi. Health of Female Tea Garden Workers: A Case Study of the Woman Behind the Cup That Cheers. *Srotaswini.* J.B. College Womens Cell, J.B. College, Jorhat, Assam, Vol-II, 2015.

Roshni S. *Prostitution in India and Its Legality.* https://primelegal.in/2023/03/06/prostitution-in-india-and-its-legality/

https://assets.publishing.service.gov.uk/government/uploads/system/uploads/attachment_data/file/303927/A_Review_of_the_Literature_on_sex_workers_and_social_exclusion.pdf, 31.08.2022.